# ভাষিক সংকট আৰু মাতৃভাষা প্ৰীতিৰ অনুপম প্ৰকাশ য়েছে দৰজে ঠংচিৰ গল্প "মৃত্যু"

পাপৰি বৰা
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ, সৰ্বোদয় মহাবিদ্যালয়, মালৌ পথাৰ, যোৰহাট-৭৮৫১০৮, মবাইল ঃ ৭০০২১০১৭৫০
e-mail : paporiborah009@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

*বৰ্তমান যুগটো হ'ল বিশ্বায়নৰ যুগ। পুঁজিপতিৰ দেশ আমেৰিকাৰ নেতৃত্বত সমগ্ৰ পৃথিৱীৰে সাম্ৰাজ্যবাদী শক্তিসমূহে এখন পৃথিৱী, এক অৰ্থনীতি তথা এক ভাষা আৰু এক সংস্কৃতি কৰিবলৈ চেষ্টা কৰিছে। এই চেষ্টাৰ সমুখত সৰু সৰু জাতি-জনগোষ্ঠীৰ ভাষা সংস্কৃতি হেৰাই যোৱাৰ উপক্ৰম হৈছে। এনে মুক্ত পৃথিৱীৰ ধাৰণাৰ আগত বিভিন্ন জাতি-জনগোষ্ঠীৰ নৱপ্ৰজন্মক নিজৰ ভাষা-সংস্কৃতি তথা মাতৃভাষাৰ চৰ্চা বা এই ভাষাত পণ্ডিত হোৱাৰ ধাৰণা অপ্ৰাসংগিক হৈ পৰিছে। লাহে লাহে এনে এক পৰিস্থিতিৰ উদ্ভৱ হৈছে য'ত নেকি নিজৰ ভাষা ক'ব নোৱাৰা, লিখিব নোৱাৰা বিষয়টো লৈ গৌৰৱ অনুভৱ কৰাহে পৰিলক্ষিত হৈছে। বিশ্বায়নৰ বিধ্বংসী আগ্ৰাসনে এই সকলোবোৰ এফালৰ পৰা সহজ কৰি আনিছে। পৃথিৱীৰ সৰু-বৰ সকলো জনগোষ্ঠীৰ সমুখত আহি পৰা নতুন সংকট হৈছে ভাষিক সংকট। নিজৰ মাজতেই লাহে লাহে হেৰাই যাবলৈ ধৰা ভাষাটো শেষত এক মৃত ভাষালৈ পৰিণত হোৱা বিষয়ক লৈ সৃষ্টি কৰা বিশিষ্ট গল্পকাৰ য়েছে দৰজে ঠংচিৰ এটা শেহতীয়া গল্প হ'ল "মৃত্যু"। লেখকে গল্পটোৰ মাজেৰে লেখকে অৰুণাচল প্ৰদেশৰ এটা জনগোষ্ঠীৰ মাজত এসময়ত প্ৰচলিত এটি মাতৃভাষা সময়ৰ লগে লগে ক্ৰমশ হেৰাই গৈ শেষত এক মৃতভাষা হৈ পৰিল সেয়ে সুন্দৰভাৱে দেখুৱাইছে। এই পৰিৱৰ্তনত কিদৰে মানুহৰ আধুনিক হোৱাৰ মানসিকতা, নিজৰ সম্পদক হীন বুলি ভবাৰ মানসিকতা, পৰৰ ভাব-ভাষাৰে নিজকে উচ্চ বুলিবলৈ কৰা প্ৰচেষ্টাই কেনেদৰে নিজৰ জাতিসত্তা নিচিহ্ন হৈ পৰাৰ কাৰণ হৈ উঠিছে তাক সুন্দৰভাৱে বিশ্লেষণ কৰিছে। লেখকে নিৰ্দিষ্ট এক জনজীৱনৰ কথাৰ প্ৰতিফলন ঘটালেও প্ৰকৃততে এই বিশ্লেষণ ভাষিক সংকটত ভোগা পৃথিৱীৰ সৰু-বৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ ক্ষেত্ৰতে প্ৰযোজ্য। এই আলোচনাত 'মৃত্যু' গল্পত প্ৰকাশিত ভাষিক সংকট তথা মানুহৰ বাবেই কেনেদৰে এক জীৱন্ত ভাষাই মৃত ভাষাৰ ৰূপ লৈছে তাক বিচাৰ কৰি চোৱাৰ চেষ্টা কৰা হৈছে।*

**বীজ শব্দ ঃ** "মৃত্যু", য়েছে দৰজে ঠংচি, ভাষা।

ISSN 2348-0602

০.০০ প্ৰস্তাৱনা ঃ

'জননী জন্মভূমি স্বৰ্গাদপী গৰিয়সী'ৰ দৰে মানুহৰ জনমভূমিৰ সমান্তৰালভাৱে আপোন হৈছে নিজৰ মাতৃভাষা। মাতৃভাষা মানুহৰ কিমান আপোন হ'ব পাৰে সেই কথা উমেশ চন্দ্ৰ চৌধুৰীৰ 'মাতৃভাষা' নামৰ কবিতাটোৱে যেন পুনৰ সোঁৱৰাই দিয়ে—

চেনেহী মোৰ মাতৃভাষা
তুমি যে মোৰ বুকুৰ ৰাণী,
তুমি যে মোৰ লীলাময়ী
তুমি মধু স্বপ্নবাণী।
দিলা মোক ইমান বেথা
শিকালা ইমান কথা
উল্লাসে উপচি উঠে,
কি আনন্দ আকুলতা।

মানুহৰ মনৰ আৱেগ অনুভূতি, দুখ-বেদনা মাতৃভাষাৰ মাধ্যমেৰে যিমান সহজ আৰু সাৰ্থকভাৱে প্ৰকাশ কৰিব পাৰে আন ভাষাৰ জৰিয়তে নোৱাৰে। সেয়েহে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছিল "মাতৃভাষা মাতৃদুগ্ধস্বৰূপ"। মনৰ পৰিপুষ্টি তথা আত্মাৰ শোধনৰ অন্যতম আধাৰ হৈছে মাতৃভাষা।

"জাৰ্মান লেঙ্গুয়েজ ছোচাইটিয়ে প্ৰকাশ কৰা বিশ্ব সমীক্ষাত উল্লেখ কৰিছে যে বৰ্তমান ৬ ৰ পৰা ৭ হাজাৰ ভাষাৰ অস্তিত্ব আছে পৃথিৱীত। এই ছোচাইটিয়ে আশংকা প্ৰকাশ কৰিছে বৰ্তমান শতকটোত উক্ত ভাষাৰ ৯০ শতাংশ লুপ্ত হৈ যাব। বৰ্তমানে পৃথিৱীত ভাষাৰ সংখ্যা যিমানেই নহওক বিশ্ববাসীৰ ৯৫ শতাংশ মানুহে বৰ্তমানে মাত্ৰ ১০০ টা ভাষাত। বিশ্বৰ ৮ টা মুখ্য ভাষাৰ ভিতৰত ভাৰতৰ হিন্দী আৰু বাংলা ভাষাই স্থান অধিকাৰ কৰিছে। বিশ্বাৰ আন ৬ টা মুখ্য ভাষা হ'ল ইংৰাজী, চীনা, স্পেনিচ, ৰুছ, আৰবী আৰু পৰ্তুগীজ।

ভাষাৰ বৈচিত্ৰ্যৰ ক্ষেত্ৰত ভাৰত এখন অনন্য সাধাৰণ দেশ। ১৯৯১ চনৰ লোক পিয়লমতে ভাৰতত জীৱন্ত ভাষাৰ সংখ্যা ৩,৩৭২ টা। কিন্তু ইয়াৰ ভিতৰত ১০ হাজাৰ বা ততোধিক মানুহৰ মাতৃভাষাৰ সংখ্যা হ'ল ২১৬ টা। ইয়াৰে ভাৰতৰ সংবিধানৰ অষ্টম তালিকাত স্বীকৃত ভাষাৰ সংখ্যা বৰ্তমানলৈ ২২ টা। শেহতীয়াভাৱে ২ ডিচেম্বৰত (২০০৩) ভাৰতীয় সংবিধানৰ ৯২ সংশোধনীৰ দ্বাৰা বড়ো, চাওতালী, মৈথিলী আৰু ডগৰী ভাষাক সাংবিধানিক মৰ্যাদা দিয়া হয়। মাতৃভাষা মানুহৰ অকল আৱেগৰ লগতে যুক্ত নহয়, জাতি এটাৰ সংস্কৃতি, ঐতিহ্য, সংগ্ৰাম আৰু জীৱিকাৰ লগত যুক্ত। সেই কাৰণেই মাতৃভাষাৰ প্ৰতি সাধ্যানুসাৰে যথাযোগ্য মৰ্যাদা প্ৰদান কৰা দেশৰ অন্যতম গুৰুত্বপূৰ্ণ বিষয়"। বৰ্তমান সময়ত দ্ৰুত গোলকীকৰণ তথা তথ্য প্ৰযুক্তিৰ ব্যাপক প্ৰসাৰে তথা ইংৰাজী ভাষাৰ আগ্ৰাসনে সমগ্ৰ পৃথিৱীৰ সৰু-ডাঙৰ ভাষাৰ প্ৰতি সংকট নমাই অনা দেখিবলৈ পোৱা গৈছে। মাতৃভাষাৰ সংৰক্ষণ তথা সংবৰ্ধন প্ৰতিজন মানুহৰে মৌলিক অধিকাৰ এই কথা ইতিমধ্যে ৰাষ্ট্ৰসংঘয়ো মানি লৈছে। বিশ্বজুৰি দেখা দিয়া এই ভাষিক সংকটৰ পৰিপ্ৰেক্ষিতত 'ইউনেস্ক'ই ২১ ফেব্ৰুৱাৰী দিনটো ইতিমধ্যে মাতৃভাষা দিৱসস্বৰূপে ঘোষণা কৰিছে। ইয়াৰ উদ্দেশ্য প্ৰধানত মাতৃভাষাক মৰ্যাদা সহকাৰে প্ৰয়োগৰ সমান্তৰালভাৱে ইয়াৰ প্ৰয়োগৰ বাবে সচেতনতাৰ সৃষ্টি কৰা। উল্লেখনীয় যে "২১ ফেব্ৰুৱাৰীৰ দিনটোক ইউনেস্ক'ই 'আন্তৰ্জাতিক মাতৃভাষা দিৱস' হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ১৯৫২ চনৰ ২১ ফেব্ৰুৱাৰীত তদানীন্তন পূব পাকিস্থানত উৰ্দুভাষাৰ পৰিবৰ্তে বাংলা ভাষাক ৰাষ্ট্ৰীয় মৰ্যাদা প্ৰদানৰ দাবীত চাৰিজন ভাষা আন্দোলনৰ নেতা শ্বহীদ হৈছিল। পৰৱৰ্তীকালত ১৯৯৮ চনৰ ২৯ মাৰ্চৰ 'বিশ্ব মাতৃভাষা প্ৰেমিক' সংস্থাই কানাডাৰ ভাংকু ইভাৰত প্ৰস্তাৱ কৰিছিল ২১ ফেব্ৰুৱাৰীৰ দিনটোক আন্তৰ্জাতিক মাতৃভাষা দিৱস হিচাপে পালন কৰিবলৈ। উক্ত প্ৰস্তাৱটোত ৭ টা ভাষাৰ ১০ জন ভাষা প্ৰেমিকে চহী কৰিছিল। তেওঁলোক হ'ল আলবাৰ্ট ভিনজন, কাৰমেন ক্ৰিষ্টোবাল, জেছন মৰিণ, ছুচান হজিনবা, কেলভিন চাও, নাচৰিণ ইছলাম, ৰিগাতে মাৰ্টিনচ্, কৰুণা যোশী, ৰফিকল ইছলাম আৰু আবদুচ চালাম। ইয়াৰ ভিত্তিতে ১৯৯৯ চনৰ ১৭ নৱেম্বৰত ইউনেস্ক'ই ২১ ফেব্ৰুৱাৰীৰ দিনটোকে 'আন্তৰ্জাতিক মাতৃভাষা দিৱস' হিচাপে সমগ্ৰ পৃথিৱীতে পালন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। অৱশ্যে ১৯৯৬ চনতে ৰাষ্ট্ৰসংঘৰ বাৰ্চিলোনা সন্মিলনত ভাষিক অধিকাৰৰ বিশ্বজনীন ঘোষণা কৰা হৈছিল।

০.০১ অধ্যয়নৰ উদ্দেশ্য ঃ

অসমীয়া সাহিত্যৰ বিশিষ্ট জনগোষ্ঠীয় লেখক য়েছে দৰজে ঠংচিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। বিভিন্ন পটভূমিত গল্প ৰচনা কৰা গল্পকাৰৰ শেহতীয়া গল্প 'মৃত্যু'। নিজৰ মাতৃভাষাৰ পৰিৱৰ্তন, মৃত্যুমুখী অৱস্থা লগতে সেই মাতৃভাষাৰ ৰক্ষাৰ কাৰণে নিজৰ ফালৰ পৰা কৰিব লগা সকলো প্ৰচেষ্টা গ্ৰহণ কৰা এজন বৰ্ষীয়ান বৃদ্ধৰ কৰুণ অৱস্থা লেখকে মৰ্মস্পৰ্শীৰূপত ফুটাই তুলিছে। লগতে পৰিবৰ্তিত পৰিস্থিতিয়ে সৰু-বৰ ভাষালৈ কঢ়িয়াই অনা অশনি সংকেতৰ ইংগিতো গল্পকাৰে পাঠকৰ আগত দাঙি ধৰিছে। নিজৰ মাতৃভাষীৰ অমনোযোগিতা লগতে নিজৰ ভাষাৰ প্ৰতি অবহেলা

আদিৰ বাবে মৃত্যুমুখত পৰা এটি ভাষা তাৰ লগতে সৰু-বৰ ভাষালৈ নামি অহা বিপদৰ সংকেত আদি গল্পৰ ঠংচিৰ 'মৃত্যু' গল্পৰ আলম লৈ আলোচনা কৰাই আমাৰ অধ্যয়নৰ মূল উদ্দেশ্য।

**০.০২ অধ্যয়নৰ পৰিসৰ ঃ**

আমাৰ আলোচনা বিশিষ্ট ঔপন্যাসিক, গল্পকাৰ য়েছে দৰজে ঠংচিৰ 'মৃত্যু' গল্পৰ আলোচনাতে সীমাবদ্ধ হ'ব।

**০.০৩ উৎস ঃ**

য়েছে দৰজে ঠংচিৰ প্ৰান্তিক আলোচনীত ১-৩১ মে, ২০২০ বৰ্যত প্ৰকাশ পোৱা 'মৃত্যু' গল্পক মূল উৎসস্বৰূপে আৰু গৌণ উৎসৰূপে অসমীয়া চুটিগল্পৰ বিষয়ে থকা বিভিন্ন প্ৰবন্ধপাতিৰ সহায় লোৱা হৈছে।

**১.০০ য়েছে দৰজে ঠংচিৰ চমু পৰিচয় ঃ**

অৰুণাচল প্ৰদেশৰ যি কেইজন লেখকে অসমীয়া সাহিত্য ক্ষেত্ৰত বিশিষ্ট বৰঙণি আগবঢ়াইছে সেইসকলৰ ভিতৰত য়েছে দৰজে ঠংচি অন্যতম। বিদ্যালয়ত পঢ়ি থকা অৱস্থাত কবিতাৰে সাহিত্যিক জীৱনৰ পাতনি মেলা ঠংচি পৰৱৰ্তী সময়ত এগৰাকী সফল ঔপন্যাসিক তথা গল্পকাৰৰূপে পৰিচিতি লাভ কৰে। চৰকাৰী গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হৈ থাকিও তেখেতে নিৰলসভাৱে সাহিত্য চৰ্চাত ব্ৰতী হৈ আহিছে। ঔপন্যাসিক তথা গল্পকাৰ হিচাপে বিশেষ পৰিচিতি থকা লেখকৰ উপন্যাস কেইখন হ'ল — 'চনম', 'মৌন ওঁঠ মুখৰ হৃদয়', 'লিংজিক', 'বিষকন্যাৰ দেশত', 'শৰ কটা মানুহ', 'মিছিং', 'মই আকৌ জনম ল'ম', 'জনসমুদ্ৰত এগৰাকী আদিবাসী'। শতাধিক গল্প ৰচনাৰে সাহিত্যজগতক সমৃদ্ধ কৰা ঠংচিৰ প্ৰকাশিত গল্পপুথি হ'ল 'পাপৰ পুখুৰী', 'বাঁহফুলাৰ গন্ধ', 'অন্য এখন প্ৰতিযোগিতা'। অন্যান্য ৰচনাৰ ভিতৰত 'কামেং সীমান্তৰ সাধু', 'চেৰদুকপেন জনগোষ্ঠীৰ ইতিবৃত্ত' অন্যতম। ১৯৫২ চনৰ ১৩ জুনত অৰুণাচলৰ বেষ্ট কামেং জিলাত জন্মগ্ৰহণ কৰা বিশিষ্ট লেখকগৰাকীয়ে বৰ্তমানলৈকে বিভিন্ন বঁটা-বাহনেৰে বিভূষিত হৈছে। ২০০১ চনত ফুলচান্দ খান্দেৱাল সংহতি বঁটা, ২০০৫ চনত 'মৌন ওঁঠ মুখৰ হৃদয়' উপন্যাসৰ বাবে সাহিত্য অকাডেমী বঁটা, ২০০৫ চনত The Bhasha Bharti Award from the Central Institute of India Language (CIIL, Mysore), অসম সাহিত্য সভাৰ বাসুদেৱ জালান বঁটা, ২০১৭ চনত ভূপেন হাজৰিকা বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান চৰকাৰী চাকৰিৰ পৰা অৱসৰপ্ৰাপ্ত ঠংচিয়ে 'Indigenous Faith and Cultural Society of Arunachal Pradesh' নামৰ উচ্চ সংগঠনৰ পঞ্চম সভাপতিৰূপে ২০১১-১৩ এই তিনিবছৰীয়া কাৰ্যকালৰ বাবে নিৰ্বাচিত হৈছে।

**১.০১ বিষয়বস্তু ঃ**

নিজৰ মাতৃভাষাৰ প্ৰতি প্ৰবল আকৰ্ষণ তথা ভালপোৱাৰ লগতে নিজৰ ভাষাটোক জীয়াই ৰখাৰ এক আপ্ৰাণ চেষ্টা চলোৱাৰ করুণ আকুতি প্ৰকাশ কৰা এটি সদ্য প্ৰকাশিত চুটিগল্প হৈছে য়েছে দৰজে ঠংচিৰ "মৃত্যু"। অসমীয়া সাহিত্য জগতৰ প্ৰতিষ্ঠিত সাহিত্যিক য়েছে দৰজে ঠংচি মূলত ঔপন্যাসিকৰূপে বিশেষভাৱে প্ৰতিষ্ঠিত হ'লেও গল্পকাৰ হিচাপেও তেখেতৰ বিশেষ পৰিচিতি আছে। ঠংচিৰ ৰচনাত অৰুণাচলৰ জনজীৱনে এক সুকীয়া মাত্ৰা লাভ কৰিবলৈ সক্ষম হৈছে। ঠংচিৰ শেহতীয়াকৈ প্ৰকাশিত এটি বিশিষ্ট গল্প 'মৃত্যু' প্ৰান্তিক আলোচনীত ১-৩১ মে', ২০২০ বৰ্যত প্ৰকাশ পাইছে।

'মৃত্যু' গল্পটোৰ নায়ক হ'ল অৰুণাচল প্ৰদেশৰ বুগুণ জনজাতিৰ গাঁওবুঢ়া ইণ্ডি ফিনয়া। গাঁওবুঢ়া ফিনয়া এক বিশেষ ব্যক্তি। কিয়নো তেওঁ হ'ল বুগুণ ভাষা কোৱা শেষৰজন মানুহ। এটা ভাষা মাতৃভাষাস্বৰূপে এটা জনগোষ্ঠীৰ মাজত স্বচ্ছলৰূপত প্ৰচলন থকাৰ পৰা কেনেকৈ পৃথিৱীৰ পৰা সময়ৰ লগে লগে নোহোৱা হৈ যাব পাৰে এই সমষ্ট ঘটনা পৰিঘটনাৰ জীৱন্ত সাক্ষী হৈ পৰিছে ইণ্ডি ফিনয়া নামৰ বিশেষ ব্যক্তিজন। এসময়ত বৃহৎ এলেকা এটাৰ দুটা পাহাৰৰ মাজৰ ঠেক সমতলত ভূমিত অৱস্থিত আছিল ইণ্ডি ফিনয়াৰ আপোন গাঁও 'ছিনছুং'। গাঁৱৰ দক্ষিণ দিশত থকা পাহাৰবোৰত ঝুমখেতি কৰি নানা ধৰণৰ শস্য উৎপাদন কৰি স্বচ্ছলভাৱে চলি আছিল বুগুণ জনজাতিৰ লোকসকল। হস্তশিল্পত একেবাৰে কেঁচা এই জনজাতিৰ লোকে সেইসমূহ প্ৰয়োজনীয় দ্ৰব্য আহৰণ কৰিছিল ভৈয়ামত বেপাৰ কৰিবলৈ অহা অকা আৰু চেৰদূকপেনসকলৰ পৰা। প্ৰয়োজনত ইণ্ডি ফিনয়াৰ গোষ্ঠীৰ মানুহে অকাৰ সৈতে অকা ভাষাত, চেৰদূকপেনৰ সৈতে চেৰদূকপেন ভাষাত ভাৱৰ আদান-প্ৰদান কৰিব পাৰিছিল যদিও এই জনজাতিসকলে ইণ্ডি ফিনয়াৰ বুগুণ ভাষা ক'ব নাজানিছিল কিয়নো "বুগুণ ভাষা আছিল একান্তভাৱে তেওঁলোকৰ নিজৰ জনজাতিয়ে কোৱা ভাষা লগতে তেওঁলোক পোহপাল কৰা জন্তুৰে বুজা ভাষা"।

ইণ্ডি ফিনয়াহঁতৰ গাঁওখনৰ এক বৃহৎ অংশ এসময়ত জনশূন্যভাৱে পৰি আছিল। যি পাহাৰত কাচিৎহে মানুহৰ আহ-

যাহ হৈছিল তাত ভাৰতৰ স্বাধীনতাৰ পিছত টাৱাং পৰ্যন্ত তাত পকী আলিবাট নিৰ্মাণ কৰা হ'ল। এই আলিবাট ফিনয়াহঁতৰ গাঁওখনৰ কাষেদিয়েই নিৰ্মাণ কৰা হ'ল। জীৱনত আঙুলিৰ মূৰত লেখিব পৰা দুই এজন মানুহ দেখা গাঁওবাসীয়ে লাহে লাহে নতুন পথেদি অহা যোৱা কৰা নতুন চেহেৰাৰ নতুন মানুহ দেখিবলৈ ধৰিলে। পৃথিৱী বুলিলে নিজৰ চকুৰে মনিব পৰা দূৰণিৰ গাঁওকেইখন বুলি ভবা সৰল মানুহখিনিৰ আগতে সময়বোৰ লাহে লাহে পৰিৱৰ্তন হ'বলৈ আৰম্ভ কৰিছিল। গল্পকাৰৰ ভাষাত —

"সেই ভৈয়ামৰ পৰা মানুহ আহিবলৈ আৰম্ভ কৰাৰ সময়তহে ইণ্ডিহঁতে ইণ্ডিয়া, চীন, আমেৰিকা, জাপান আদি দেশ এইখন মাটি, পৰ্বত, নদী, হাবি আদিৰে গঠিত পৃথিৱী বোলা ঠাইত আছে বুলি শুনিবলৈ আৰম্ভ কৰিছিল। আৰু সেই চীনৰ লগত হোৱা মৰামৰিক যুদ্ধ বুলিও জানিবলৈ পাইছিল আৰু এনে যুদ্ধ দুই দেশৰ মাজত সংঘটিত হয় বুলি গম পাইছিল। এনে যুদ্ধৰ পাছতে ইণ্ডিহঁতৰ ছিনছুং গাঁৱৰ আশে-পাশে থকা সমতল আৰু পাহাৰৰ মাজত থকা সৰু সৰু সমান ঠাইবোৰত বন্দুকধাৰী মানুহবোৰৰ ভয়ত সিহঁতৰ পৰা ফালৰি কাটি চলিবলৈ চেষ্টা কৰিছিল যদিও কিন্তু লাহে লাহে সিহঁতে চিপাহীসকলৰ লগত সানমিহলি হ'বলৈ আৰম্ভ কৰি দিছিল। ইতিমধ্যে সিহঁতৰ গাঁৱত স্কুল এখনো হৈছিল আৰু তাত ইণ্ডি ফিনয়াৰ কণ কণ নাতি-নাতিনীও পঢ়িবলৈ আৰম্ভ কৰিছিল। ইণ্ডিহঁতৰ গাঁৱৰ এলেকাত বহা চিপাহীবোৰৰ কাৰণে, তেওঁলোকৰ পৰিয়ালবোৰ লগত লৈ আনি ৰাখিবৰ কাৰণে এলেকাটোত পকা দুমহলীয়া ধুনীয়া ধুনীয়া ঘৰবোৰ নিৰ্মাণ কৰিবলৈ লোৱাৰ লগতে এলেকাটোলৈ চিপাহীবোৰৰ বাহিৰেও প্ৰব্ৰজন আৰম্ভ হৈছিল অসংখ্য বনুৱা আৰু বেপাৰীসকল। বাহিৰা ঠাইৰ মানুহ যিহেতু অৰুণাচলত কোনো মাটিৰ মালিক হ'ব নোৱাৰে আৰু লগতে বেহা-বেপাৰৰ বাবে কোনো পাৰ্মিট নাপায় সেইবাবে দোকান-পোহাৰ খুলিবৰ বাবে ইণ্ডিহঁতৰ গাঁৱৰ মানুহক দোকানৰ পাৰ্মিট দিয়া হৈছিল আৰু তাকো বাহিৰৰ পৰা অহা বিহাৰী, বাঙালী আদি মানুহক ভাৰাত দিছিল। ভাৰা ঘৰবোৰ টাংগা নামৰ ঠাইত নিৰ্মাণ কৰিব লগা হৈছিল বাবে সেই ঠাইত বজাৰ এখন গঢ় লৈ উঠিছিল। ষাঠি-সত্তৰ দশকৰ কালছোৱাতেই ছিনছুং গাঁৱৰ আশে-পাশে বাহিৰা মানুহেৰে ভৰি থকা এখন ডাঙৰ নগৰ গঢ় লৈ উঠিছিল আৰু তাৰ মাজতে ইণ্ডিহঁতৰ মানুহৰ হেৰাই গৈছিল"।

নতুন পৰিৱেশ তথা পৰিস্থিতিয়ে সমগ্ৰ জনজাতীয় জীৱনৰ পৰিকাঠামো লাহে লাহে সলনি কৰিবলৈ আৰম্ভ কৰিছিল। পৰিৱৰ্তন আহিছিল পৰম্পৰাগত থলুৱা সাজপাৰ তথা খাদ্য সম্ভাৰলৈকে। নিজস্ব সাজপাৰ এৰি মানুহবোৰে আধুনিক পেণ্ট, ছাৰ্ট পৰিধান কৰিবলৈ ধৰিলে। খালী ভৰিৰে অভ্যস্ত জনজীৱনত জোতাই কেতিয়া প্ৰৱেশ কৰিলে ততেই ধৰিব নোৱাৰিলে। ঝুমখেতিৰ দ্বাৰা উৎপাদিত থলুৱা গোমধান, কণীধান, কচু আলুৰ পৰম্পৰাগত খাদ্যৰ সলনি কম দামত উপলব্ধ হোৱা ৰেচনৰ চাউল, আটাৰ পৰা তৈয়াৰী খাদ্য খাবলৈ আৰম্ভ কৰিলে। অন্যান্য পৰিৱৰ্তনৰ সমান্তৰালভাৱে লগতে যুগৰ লগত প্ৰয়োজনত সলনি হোৱা অভ্যাসবোৰৰ লগত লাহে লাহে সাঙোৰ খাই পৰিছিল বুগুণ জনজাতিৰ মাজত প্ৰচলিত ভাষাৰ ক্ষেত্ৰ। পৰিৱৰ্তনৰ লগত ক্ৰমান্বয়ে সাঙোৰ খাই পৰা মানুহবোৰৰ বাবে অন্যান্য প্ৰয়োজনৰ লগতে আহি পৰিছিল নিজৰ ভাষা এৰি অন্য ভাষাত ভাৱৰ আদান-প্ৰদান কৰাৰ প্ৰয়োজনীয়তা। বিভিন্ন ঠাইৰ বিশেষভাৱে হিন্দীভাষী মানুহেৰে সমগ্ৰ অঞ্চল ভৰি পৰাৰ লগে লগে গাঁৱৰ মানুহবোৰে ভাৱৰ আদান-প্ৰদানৰ কাৰণে হিন্দীভাষা বুজি পাবলৈ আৰু লাহে লাহে ক'বলৈ আৰম্ভ কৰিছিল। গল্পৰ নায়ক ইণ্ডিয়ে হিন্দী ভাষা ক'বলৈ নিশিকাৰ বাবে গাঁওবাসীৰ মাজত হাঁহিয়াতৰ পাত্ৰ হোৱাৰ লগতে অনেক ঠাট্টা মস্কৰা সহ্য কৰিবলগা হৈছিল। আন এটা ভাষা আয়ত্ব কৰিব পাৰি মানুহবোৰে আত্মগৌৰৱত উটি ভাহি যোৱাৰ লগতে গৌৰৱতে নিজৰ মাজতো নিজৰ ভাষা এৰি হিন্দী ভাষাত কথা-বতৰা পাতিবলৈ আৰম্ভ কৰিছিল। যিসময়ত নিজৰ সন্তানক মাতৃভাষা শিকোৱাত গুৰুত্ব দিব লাগিছিল সেইখিনি সময়ত ফিনয়াৰ জ্ঞাতি-কুটুম্বই নিজৰ সন্তানে সৰুৰে পৰা হিন্দী ভাষা ক'ব পৰা কাৰণেহে গৌৰৱ কৰাৰ থল বিচাৰি পাইছিল। সন্তানক লৈ গৌৰৱ কৰা এনে লোকৰ বক্তব্য গল্পকাৰৰ ভাষাত—

"চোৱা চোৱা মোৰ ল'ৰাটোৱে ইমান সৰুতে হিন্দী ক'ব পাৰিছে"।

আন কোনোবাই কৈছিল—

"জানা, মোৰ ছোৱালীয়ে আমাৰ নিজৰ কথা একেবাৰে বুজি নাপায়। তাইক হিন্দী ক'লেহে বুজি পায়"।

কেৱল হিন্দীয়েই যে তেওঁলোকে গ্ৰহণ কৰিছিল তেনে নহয়, সমান্তৰালভাৱে ইংৰাজী ভাষা শিক্ষাৰ মাধ্যমৰূপে থিতাপি ল'বলৈ বাট বিচাৰিছিল। নিজৰ সন্তানে ভুলে-শুদ্ধই কোৱা ইংৰাজীৰ প্ৰতি আত্মগৌৰৱান্বিত পিতৃ-মাতৃৰ আনন্দৰ সীমা নোহোৱা হৈছিল। গল্পকাৰৰ ভাষাত —

"মোৰ ল'ৰাক কি চাবা। সি ইংৰাজীও সলসলীয়াকৈ

ক'ব পৰা হ'ল। কালি আমি অফিছাৰৰ আগত সি ইংৰাজীতে কথা পাতিলে। তাক ইংৰাজীত কথা কোৱা দেখি আমি অফিছাৰজন বৰ খুচ হ'ল"।

হিন্দী আৰু ইংৰাজী ভাষাপ্ৰীতি অন্ধভাৱে আপ্লুত হৈ সৰল জনজাতীয় মানুহখিনিৰ মনত নিজৰ ভাষাৰ প্ৰতি শ্ৰদ্ধাৰে সলনি হীনভাৱহে গঢ় লৈ উঠিছিল বুগুণ ভাষাত কথা-বতৰা হোৱাটো হীনমন্যতাৰ পৰিচায়ক ৰূপেহে তেওঁলোকে অনুভৱ কৰিছিল। সেয়ে নিজৰ মাজতে পাতিছিল—

"কি কৰিব আমাৰ বুগুণ ভাষা শিকি? বাহিৰত গ'লেই কোনেও বুজি নাপায়। আমি নিজৰ ভাষাত কথা ক'লে মানুহে হাঁহে"।

পৰৱ ভাষাৰ প্ৰতি মোহাচ্ছন্ন হৈ পৰা মানুহখিনিয়ে পাহৰি যাবলৈ ধৰিলে নিজৰ ভাষাৰ মৃত্যুৰ দুৱাৰডলিৰ কথা। কিয়নো ভাষিক সংকটৰ সমস্যা তেওঁলোকে অনুধাৱনেই কৰা নাই। কিন্তু দেখা যায় সভ্যতাৰ বিকাশ, কোনো অঞ্চললৈ অন্য ভাষা-ভাষীৰ প্ৰব্ৰজন, যুদ্ধ-বিগ্ৰহ আদিয়ে সমাজ জীৱনৰ ওপৰত পেলোৱা প্ৰভাৱ ভাষালৈ সোমাই আহে। প্ৰত্যেক ভাষাৰ যিটো জতুৱা ঠাঁচ সেইটো হানি নোহোৱালৈকে প্ৰয়োজনীয় শব্দৰ অন্তৰ্ভুক্তিয়ে ভাষাৰ ক্ষতি কৰিব নোৱাৰে। কিন্তু ভাষাৰ লগত খাপ নোখোৱা শব্দৰ প্ৰয়োগে, ভাষাৰ লগত খাপ নোখোৱা শৈলীয়ে একোটা ভাষাৰ যিটো জতুৱা ঠাঁচ সেইটো নষ্ট কৰিব পাৰে। এনেভাৱে আক্ৰান্ত হোৱা ভাষা ক্ৰমাৎ দুৰ্বল হ'বলৈ আৰম্ভ কৰে আৰু মৃত্যুৰ মুখলৈ আগবাঢ়ি যায়। আন এটা গুৰুত্বপূৰ্ণ দিশ ভাষা কৈ থকাসকলৰ মনত কোনো ভাষাৰ ওচৰত হীনমন্যতাৰ ভাৱ যদি সৃষ্টি হয় সেই ভাষাই লাহে লাহে স্থান আৰু মান-হেৰুৱাবলৈ বাধ্য হয়। মনেৰে নিজৰ ভাষাক হীন বুলি ভাবি লোৱা তথা নতুন পৃথিৱীৰ সোৱাদ পোৱা বুগুণ জাতিৰ লোকসকলৰ ক্ষেত্ৰটো সেই কথাৰে প্ৰতিফলন ঘটিছিল।

মানুহখিনিৰ এই অদ্ভুত আচাৰ-আচৰণত ইণ্ডি ফিনায়ৰ দৰে বয়সে ভাটি দিবলৈ আৰম্ভ দুই একে প্ৰতিবাদ কৰিছিল। লোকৰ ভাষা আঁকোৱালি লৈ নিজৰ মাতৃভাষাক পাহৰিবলৈ ধৰিলে এদিন এই ভাষা চিৰকাললৈ লুপ্ত হ'ব সেয়া সোঁৱৰাই দিবলৈ চেষ্টা কৰিছিল। কেৱল সেয়ে নহয় নিজৰ ভাষাৰ শেষ অস্তিত্বকণ জীয়াই ৰাখিবলৈ দেহেকেহে চেষ্টা কৰিছিল। এই ক্ষেত্ৰত বিশেষ সমৰ্থন দিছিল বৰ্যীয়ানসকলৰ লগতে বিশেষ উদ্যোগ হৈছিল অসমীয়া মাধ্যমত অষ্টম শ্ৰেণীলৈকে পঢ়ি প্ৰাইমেৰী স্কুলত শিক্ষকতা কৰা দাম্বিং নামৰ ব্যক্তিজনে। ভাষাটো ৰক্ষা কৰাৰ এক প্ৰচেষ্টা হিচাপে ফিনয়াই দাম্বিংক লগত লৈ গাঁৱত এক বিশাল সভাৰ আয়োজন কৰিলে। বয়োবৃদ্ধসকলৰ মৃত্যুৰ লগে লগে ভাষাটোৰো যে মৃত্যু হ'ব সেইদিনা সকলোৱে উপলব্ধি কৰিছিল। নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীবোৰৰ ইচ্ছা নাথাকিলেও বয়সীয়ালসকলে বাহিৰত নহ'লেও ঘৰতে বুগুণ ভাষাত কথা পতাটো যে অত্যন্ত জৰুৰী সেই কথা প্ৰকাশ কৰিলে। ইয়াৰ বিপৰীতে নতুন প্ৰজন্মৰ তৰুণে কৈ উঠিল কিদৰে আজিৰ যুগত হিন্দী নাজানিলে বাহিৰত চলিব নোৱাৰি লগতে দৈনন্দিন জীৱনত আজি ব্যৱহাৰ হৈ থকা গাড়ী, মাৰ্কেট, টেলিফোন আদিৰ দৰে শব্দৰ সঠিক ব্যৱহাৰ বুগুণ ভাষাত নাই। স্কুলত পঢ়ি থকা ছাত্ৰ এজনে কিতাপৰ পাতত থকা কথাৰ পৰা কৈ উঠিল, "আমাৰ ভাষা ভাষানে? ই ভাষা নহয় নহয়। ই এটা দোৱানহে"। এই কথা শুনি আচৰিত হৈ উঠা ফিনয়াক পুনৰ ক'লে—

"আমাৰ কিতাপত লিখা আছে যি ভাষাত ব্যাকৰণ আছে তাক ভাষা বোলে, য'ত ব্যাকৰণ নাই তাক দোৱান বোলে। গতিকে ছাৰে কৈছে আমাৰ বুগুণবিলাকৰ ভাষা নাই, দোৱানহে আছে"।

দাম্বিংৰো ল'ৰাটোৰ কথাৰ সত্যতা স্বীকাৰ কৰিলে যদিও অলপতে ভাষাৰ গৱেষণাৰ বাবে ফিনয়াক লগ ধৰিবলৈ অহা গৱেষকৰ দলৰ প্ৰফেছাৰজনে বুজাই দিয়াৰ কথাও উল্লেখ কৰিলে। মনৰ ভাৱ প্ৰকাশ কৰা মাধ্যম যিহেতু ভাষা আৰু সেই ভাষা আনৰ তুলনাত দুখীয়া হ'ব নোৱাৰে। নিজৰ ভাষা নিজৰ কাৰণে কিমান মূল্যবান সেই কথাও প্ৰফেছাৰে কৈ যোৱাৰ কথা দাম্বিঙে উল্লেখ কৰিলে। লগতে প্ৰফেছাৰৰ সেই কথাৰ পৰাই নিজৰ বিলুপ্তপ্ৰায় ভাষাক উদ্ধাৰ কৰাটো কিমান জৰুৰী সেই কথা বুজি পোৱাৰ কথা স্বীকাৰ কৰিলে। এই কথা সভাত ব্যক্ত কৰাৰ লগে লগে বহুজনে নিজৰ ভাষাৰ হেৰুৱাৰ বাবে দুখ প্ৰকাশ কৰিলে। কেৱল বুগুণসকলেই নহয় অৰুণাচলৰ অন্যান্য জনগোষ্ঠীবোৰেও যে ভাষিক সংকটৰ সন্মুখীন হৈ আছে সেই কথা বিভিন্নজনে উপলব্ধি কৰিলে। উপস্থিত পেনজে নামৰ এজনে কৈ উঠিল—

"হয়, অকল আমাৰ জিলাতেই নহয়, গোটেই অৰুণাচলতে একে অৱস্থা হৈছে। আমাৰ কোনো জনজাতিৰ ল'ৰা-ছোৱালীয়ে নিজৰ মাতৃভাষা ক'ব নোৱাৰা হৈছে"।

সভাত উপস্থিত থকা সকলোৱেই অনুভৱ কৰিলে যে অৰুণাচলত প্ৰচলিত প্ৰত্যেক জনজাতীয় ভাষা লুপ্ত হৈ হিন্দী ভাষা অদূৰ ভৱিষ্যতে অৰুণাচলৰ সকলো জনজাতিৰ মাতৃভাষা হ'ব। কেৱল ভাষাই নহয় তেওঁলোকৰ সংস্কৃতিও যে নোহোৱা

 ISSN 2348-0602

হৈ সকলো জনগোষ্ঠী যে এক হৈ যাব সেয়াও উপলব্ধি কৰিলে। চেহ নামৰ ব্যক্তিজনে নিজৰ সংকটাপন্ন ভাষা-সংস্কৃতিৰ ভৱিষ্যতৰ অস্তিত্বহীন সত্তা দেখি হুকহুকাই কান্দি কান্দি ক'লে—

"যিদিনা আমাৰ ভাষাৰ মৃত্যু হ'ব সেইদিনা কান্দিবলৈ কোনো মানুহ নাথাকিব, হয়তো আমাৰ মাজৰ এজন এই পৃথিৱীত আমাৰ বুগুণ ভাষা কোৱা শেষ মানুহ হ'ব।"

সভাৰ শেষত বুগুণ ভাষা ৰক্ষাৰ বাবে মানুহখিনি কেবাটাও সিদ্ধান্তত উপনীত হৈছিল। তাৰ ভিতৰত নিজৰ ঘৰৰ ভিতৰত বুগুণ ভাষা বাধ্যতামূলক কৰা, নিজৰ ল'ৰা-ছোৱালীয়ে হিন্দীত কথা ক'লেও মাক-দেউতাকে বুগুণত উত্তৰ দিয়া, চৰকাৰক নিজ অঞ্চলত বুগুণ ভাষা তৃতীয় ভাষা হিচাপে পঢ়ুওৱাৰ ব্যৱস্থা ল'বলৈ কোৱা আদি প্ৰধান। লগতে সমগ্ৰ সমবেত ৰাইজে দাম্বিঙক এটা নিজস্ব লিপি উদ্ভাৱন কৰাৰ দায়িত্ব প্ৰদান কৰিলে। দাম্বিঙেও পেনজে আৰু চোজুক সহায়কাৰী হিচাপে ল'লে। লিপি উদ্ভাৱনৰ কামত মনে প্ৰাণে তেওঁ উঠি পৰি লাগিল। মানুহবোৰেও কেইদিনমান সভাৰ সিদ্ধান্তবোৰ আখৰে আখৰে পালন কৰিলে যদিও লাহে লাহে ঢিলা হ'বলৈ ধৰিলে। দুৰ্ভাগ্যবশতঃ এক পথ দুৰ্ঘটনাত দাম্বি ঢুকাই থাকিল। তাৰ পিছতে অগাপিছাকৈ বেমাৰত পৰি পেনজে আৰু চোজুও ঢুকাল। তাৰ পিছতে গাঁৱত বুগুণ ভাষা জনা ইজন-সিজন ঢুকাই থাকিল। শেষত ভাষাটো ক'ব জনা একমাত্ৰ জীৱিত ব্যক্তি থাকিল ইণ্ডি ফিনয়া।

এক বিশাল পৰিয়ালৰ মুৰব্বী ফিনয়াৰ তিনিজনী পত্নীৰ ফালৰ একৈশটা সন্তান। নাতি-পৰিনাতিবে গণি শেষ কৰিব নোৱাৰা পৰিয়ালটোৰ বৰ্ষীয়ান ব্যক্তি ফিনয়াক সকলোৱে আদৰ-সাদৰত ৰাখে। সকলোৱে খোৱা বস্তুৰ পৰা জোতা, নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ পৰা ঘড়ী টেপৰেৰ্কডাৰলৈকে তেওঁক উপহাৰ দিয়ে। বৰ্ষীয়ান হ'লেও নিৰোগী দেহাৰ, ফিনয়া সকলোৰে আদৰৰ হ'লেও বুঢ়াৰ মনত সদায় দুখ। এই দুখ পৃথিৱীৰ কোনোবাই পাইছেনে বুঢ়াই নাজানে। "সেই দুখ হ'ল বুঢ়াই নিজৰ মাতৃভাষা হেৰুৱাৰ দুখ। সেই মাতৃভাষাত কাৰো সৈতে কথা পাতিব নোৱাৰাৰ দুখ। কাৰো মুখৰ পৰা সেই মাতৃভাষাৰ এটা বাক্যও শুনিবলৈ নোপোৱাৰ দুখ। মানুহৰ কথা বাদেই দিয়ক, আনকি যি কুকুৰ, মেকুৰী, গাহৰি, কুকুৰা আদি ঘৰচীয়া জন্তু আৰু চৰাই তেওঁৰ মাতৃভাষাত বুৰা বুৰা অৰ্থাৎ আহ আহ বুলিলেই নেজ লৰাই কাষলৈ দৌৰি আহিছিল। এতিয়া এনে জন্তু আৰু চৰাই-চিৰিকটিৰ কথা বাদেই, আনকি নিজৰ জাতিৰ মানুহেও নিজৰ পিতৃ পুৰুষৰ ভাষা নুবুজা হ'ল"।

তথাপিও ইণ্ডি ফিনয়াই মৃত্যুৰ আগে আগে নিজৰ মাতৃভাষা ৰক্ষাৰ বাবে শেষ চেষ্টা চলালে। মনত খীন আশা হয়তো অদূৰ ভৱিষ্যতে নিজৰ ভাষা উদ্ধাৰৰ বাবে কোনোবা ভৱিষ্যৎ আগবাঢ়ি আহিবও পাৰে। হয়তো তেওঁ ছিনছুঁ গাঁৱৰ কোনোবা কিজানি হয়? সেয়ে তেওঁ বুগুণ ভাষা ৰক্ষাৰ বাবে পুনৰ এক শেষ প্ৰচেষ্টা চলালে। তেওঁ কোনোবাই আনি দিয়া টেপৰেকৰ্ডাৰত নিজৰ ভাষা ৰেকৰ্ড কৰিবলৈ আৰম্ভ কৰিলে। তাৰ বাবে নিজে জনা হিন্দী, ইংৰাজী, অসমীয়া শব্দৰো সহায় ল'লে। সকলোৱে ভাবিলে বুঢ়া পাগল হ'ল, তথাপি তেওঁক তেওঁৰ মতে চলি থাকিবলৈ দিলে। কামটোত লাগি থাকি বুঢ়াই দিন ৰাতিও পাহৰি গ'ল। এদিন নাতি-বোৱাৰীয়ে ভাত দিবলৈ আহি দেখিলে বুঢ়াই টেপৰেৰ্কডাৰটো সাবটি শুই আছে, জগাবলৈ গৈ দেখিলে বুঢ়াৰ ইতিমধ্যে মৃত্যু হৈছে।

ফিনয়াৰ মৃত্যু সাধাৰণ মৃত্যু নহয়। এই মৃত্যু পৃথিৱীৰ এক ভাষাৰ মৃত্যু, এটা সংস্কৃতিৰ মৃত্যু। শেষত জীৱনত দিন-ৰাতি এক কৰি তেওঁ যি কষ্টৰে নিজৰ ভাষা ৰক্ষাৰ বাবে শেষ অপ্ৰাণ চেষ্টা চলালে সেয়া তেওঁ নাতি পৰিনাতিয়ে বুজি নাপালে। সৎকাৰৰ নিয়ম মানি তেওঁলোকে বুঢ়াৰ সকলো বয়বস্তু বুঢ়াৰ লগতে সমাধিস্থ কৰিলে। টেপৰেকৰ্ডাৰটোও বুঢ়াৰ লগতে সমাধিস্থ কৰা হ'ল, যাৰ লগত সমাধিস্থ হৈ পৰিল ইণ্ডি ফিনয়াই দিনে-নিশাই দেখা এক ভৱিষ্যতৰ সপোন।

## ১.০২ উপসংহাৰ ঃ

'মৃত্যু' গল্পৰ মাজেদি প্ৰকাশিত ভাবনা কেৱল এটা জনগোষ্ঠীৰ প্ৰতি অহা সংকট নহয়, এই সংকেত বিপন্নপ্ৰায় সকলো ভাষাৰ ক্ষেত্ৰটো প্ৰযোজ্য। কিয়নো "ভাষা এটা মৰিলে জাতি এটা জীয়াই নাথাকে, মানুহ কিছুমান জীয়াই থাকিব পাৰে। ভাষা এটাৰ মৃত্যু হোৱা মানে এটা জাতিৰ মানুহৰ চিন্তা ভাবনা, ভাব-অনুভৱকে ধৰি সকলো চিন্তাশীল আৰু সৃষ্টিশীল কৰ্মৰ মাধ্যম এটা নোহোৱা হ'ব। তেনে এটা অৱস্থা যদি হয় এটা জাতি কেনেকৈ জীয়াই থাকিব? আমাক থাকিবলৈ ভাল ঘৰ-দুৱাৰ লাগে, চলা-ফুৰা কৰিবলৈ ভাল বাট-পথ লাগে। কিন্তু এনে পাৰ্থিৱ উন্নতিয়ে জাতি এটাৰ মানসিক বিকাশ সাধন কৰিব পাৰিব বুলি কোনেও নাভাবে। জীৱ-জন্তুৰ দৰে খাই বৈ জীয়াই থকাটো জীৱন নহয়। গল্পটোৰ জৰিয়তে গল্পকাৰে দেখুৱাইছে কেনেকৈ নিজস্ব গৰিমাৰে জিলিকি থকা এটা ভাষা কেৱল নিজৰ মানুহৰ কাৰণেই এটা মৃত ভাষালৈ গতি কৰে। কিদৰে আধুনিকতাৰ নামত আমি নিজৰ সৰ্বস্ব

হেৰুৱাই পেলাও। ভাষাৰ ক্ষেত্ৰতেই নহয় সময়ৰ লগে লগে সমাজৰ সকলো দিশতে পৰিৱৰ্তন অৱশ্যম্ভাৱী। এই পৰিৱৰ্তনক স্বীকাৰ কৰি পৰিৱৰ্তনৰ লগত নিজৰ ভাষা-সংস্কৃতিৰ সকলোবোৰ দিশ বিজ্ঞানসন্মতভাৱে আগবঢ়াই নিনিলে ভাষা তথা সংস্কৃতি একোৱেই সংৰক্ষণ হৈ থকা সম্ভৱ নহয়। নিজৰ মাতৃভাষাক সময়ৰ পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য ৰাখি পৰিৱৰ্তনমুখী ভাষা হিচাপেহে গঢ় দিবলৈ চেষ্টা কৰা উচিত। পৰৰ ভাষা পৰৰ সংস্কৃতি আঁকোৱালি ল'বলৈ অলপো কুণ্ঠাবোধ নকৰা জাতিৰ বাবে নিজৰ ভাষা তথা সংস্কৃতি মৃত ৰূপ ল'বলৈ বেছি সময় নালাগিব। ভালে-বেয়াই গ্ৰহণ নকৰি কেৱল সকলোৰে ভালখিনি ল'বলৈ চেষ্টা কৰাটোহে মানুহ হিচাপে কৰ্তব্য হোৱা উচিত।

**সহায়ক গ্ৰন্থপঞ্জী**

১। শইকীয়া, ভৱেন্দ্ৰনাথ (মুখ্য সম্পা.) ঃ প্ৰান্তিক, ১-৩১ মে', ২০২০

২। বৰা লক্ষ্মীনন্দন (সম্পা.) গৰীয়সী, উনবিংশ বছৰ, অষ্টম সংখ্যা, মে, ২০১২

৩। বৰুৱা, উৎপল (সম্পা.) ঃ দৈনিক জনমভূমি, ১১ কাতি, ১৯৪২ শক (অক্টোবৰ ২৮, ২০২০) 'দৃষ্টিপাত' নগেন শইকীয়াৰ "ভাষাৰ মৃত্যু"।

৪। বৰুৱা প্ৰহ্লাদ কুমাৰ ঃ অসমীয়া চুটিগল্পৰ অধ্যয়ন, প্ৰকাশক প্ৰদ্যুৎ বৰদলৈ, বনলতা, প্ৰথম প্ৰকাশ, ১৯৯৫

৫। বৰা, প্ৰফুল্ল চন্দ্ৰ (মুখ্য সম্পা.) ঃ ঐতিহ্য ঃ অসমীয়া সাহিত্য, আহমেদ, ছালিম আলি (সম্পা.), প্ৰকাশক হেৰিটেজ আছাম, তৰাজান, প্ৰথম প্ৰকাশ, মে, ২০০৭